# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 28-07-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণ সৈতে মত বিনিময় কৰিব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিভিন্ন ৰাজ্যৰ নতুন ৰাজ্যপালসকলক নিযুক্তি দিছে।

৩। ভাৰতীয় জনতা পাৰ্টী শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ মুখ্যমন্ত্ৰীসকলৰ এখন বৈঠক কালি নতুন দিল্লীত অনুষ্ঠিত হয়।

৪। ভাৰত আৰু শ্ৰীলংকাৰ মাজত কালি অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে শ্ৰীলংকাক ৪৩ ৰানত পৰাস্ত কৰে।

*আৰু*

৫। পেৰিছ অলিম্পিকত ভাৰতীয় খেলুৱৈসকলে অভিযান আৰম্ভ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণ সৈতে মত বিনিময় কৰিব। প্ৰতিমাহে প্ৰচাৰিত এই অনুষ্ঠানৰ এয়া হ'ব ১১২ সংখ্যক খণ্ড। আনহাতে একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পাছত শ্ৰীমোদীৰ এয়া হ'ব মন কী বাতৰ দ্বিতীয়টো খণ্ড। এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে এয়াৰ নিউজ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপ যোগে প্ৰচাৰিত হ'ব। এই অনুষ্ঠান  এয়াৰ নিউজ, ডি ডি নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ লগতে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলটো পোনপটীয়াকৈ শুনিবলৈ পোৱা যাব। আকাশবাণীয়ে এই অনুষ্ঠানৰ পাছতে আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিভিন্ন ৰাজ্যৰ নতুন ৰাজ্যপালসকলক নিযুক্তি দিছে। মহাৰাষ্ট্ৰ বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ হৰিভাও কিষানৰাও বাগড়েক ৰাজস্থানৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। ত্ৰিপুৰাৰ প্ৰাক্তন উপ মুখ্যমন্ত্ৰী জিষ্ণু দেৱ বাৰ্মাক তেলেংগানাৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। ৰাজস্থানৰ প্ৰাক্তন ৰাজ্যসভাৰ সাংসদ ওম প্ৰকাশ মাথুৰক ছিকিমৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী সন্তোষ কুমাৰ গাংগৱাৰক ঝাৰখণ্ডৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। অসমৰ প্ৰাক্তন লোকসভা সাংসদ ৰমেন ডেকাক ছত্তিশগড়ৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। কৰ্ণাটকৰ প্ৰাক্তন মন্ত্ৰী চি এইচ বিজয়শংকৰক মেঘালয়ৰ ৰাজ্যপাল হিচাপে

নিযুক্তি দিয়া হৈছে। ঝাৰখণ্ডৰ বৰ্তমানৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণক মহাৰাষ্ট্ৰৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। অসমৰ বৰ্তমানৰ ৰাজ্যপাল গোলাব চান্দ কাটাৰিয়াক পঞ্জাৱৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়াৰ লগতে কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডীগড়ৰ প্ৰশাসক হিচাপে নিযুক্তি দিয়া হৈছে। বৰ্তমানৰ ছিকিমৰ ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যক অসমৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়াৰ লগতে মণিপুৰৰ ৰাজ্যপাল হিচাপেও অতিৰিক্ত দায়িত্ব দিয়া হৈছে। ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰাক্তন বিষয়া কে. কৈলাশ নাথনক পুডুচেৰীৰ উপ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে।

ooooo

ভাৰতীয় জনতা পাৰ্টী শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ মুখ্যমন্ত্ৰীসকলৰ এখন বৈঠক কালি নতুন দিল্লীত দলটোৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিজেপিৰ সভাপতি জে পি নাড্ডা, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু দলটোৰ আন জ্যেষ্ঠ নেতাসকল এই বৈঠকত উপস্থিত থাকে। প্ৰধানমন্ত্ৰী মোদীয়ে মুখ্যমন্ত্ৰী আৰু উপ মুখ্যমন্ত্ৰীসকলৰ সৈতে বিভিন্ন বিষয় লৈ আলোচনা কৰে। লোকসভা নিৰ্বাচন আৰু কেন্দ্ৰীয় বাজেট উত্থাপনৰ কিছু দিনৰ পাছতেই এই বৈঠকখন অনুষ্ঠিত হৈছে। এটা নিৰ্দিষ্ট সময়ৰ অন্তৰত নিয়মীয়াকৈ অনুষ্ঠিত কৰি অহা এই বৈঠকত ৰাজ্যসমূহৰ বিভিন্ন আঁচনিৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ কল্যাণকামী পদক্ষেপসমূহৰ ৰূপায়ণৰ বিষয়ে পৰ্যালোচনা কৰা হয়।

ooooo

তীখা সচিব নগেন্দ্ৰ নাথ সিনহাই কৈছে যে, চৰকাৰী আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহৰ বাবে চাহিদা বৃদ্ধিৰ ফলত ভাৰতত তীখাৰ উৎপাদন ২০৩০ চনৰ ভিতৰত ৩০ কোটি টনতকৈও অধিক হোৱাৰ সম্ভাৱনা আছে। নতুন দিল্লীত ভাৰত চেম্বাৰ অব কমাৰ্চক সম্বোধন কৰি জ্যেষ্ঠ বিষয়াগৰাকীয়ে কয় যে, আন্তঃগাঁথনিমূলক কাম-কাজত চৰকাৰে গুৰুত্ব প্ৰদান কৰাৰ ফলত তীখাৰ চাহিদা বৃদ্ধি পাইছে আৰু ১০ শতাংশ বিকাশৰ সম্ভাৱনা আছে। শ্ৰীসিনহাই কয় যে, মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ লগতে চৰকাৰী তথা বে-চৰকাৰী খণ্ডৰ আন্তঃগাঁথনি উন্নয়নত অবিৰতভাৱে গুৰুত্ব প্ৰদান কৰাৰ হেতু শিক্ষাৰ চাহিদা বৃদ্ধি পাই থাকিব। চলিত সপ্তাহৰ প্ৰথম ভাগত কেন্দ্ৰীয় তীখা আৰু বৃহৎ উদ্যোগ মন্ত্ৰী এইচ ডি কুমাৰস্বামীয়ে তীখাৰ আমদানি নিৰীক্ষণ কৰাৰ বাবে প্ৰস্তুত কৰা এছ আই এম এছ পোৰ্টেলৰ দ্বিতীয়টো সংস্কৰণ মুকলি কৰে।

ooooo

শ্ৰীলংকাৰ পাল্লেকলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ভাৰত আৰু শ্ৰীলংকাৰ মাজত কালি অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে শ্ৰীলংকাক ৪৩ ৰানত পৰাস্ত কৰে। এই জয়ৰ জৰিয়তে ভাৰতে শৃংখলাটোত ১-০ৰ অগ্ৰগতি লাভ কৰিছে। টছত জয়লাভ কৰি শ্ৰীলংকাই প্ৰথমে ভাৰতক বেট ধৰাৰ আমন্ত্ৰণ জনায়। ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ২১৩ ৰান সংগ্ৰহ কৰে। সূৰ্য কুমাৰ যাদৱে ৫৮ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ প্ৰত্যুত্তৰত শ্ৰীলংকাই ১৯ অভাৰ দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৭০ ৰান সংগ্ৰহ কৰে। সূৰ্য কুমাৰ যাদৱক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। শৃংখলাৰ দ্বিতীয়খন খেল একেটা স্থানতে আজি সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'ব।

ooooo

ভাৰতীয় বেডমিণ্টন খেলুৱৈ ছিৰাগ চেট্টি, সাত্বিক সাইৰাজ ৰণকীৰেড্ডী আৰু লক্ষ সেনে পেৰিছ অলিম্পিকত বেডমিণ্টনত গ্ৰুপ পৰ্যায়ত নিজৰ নিজৰ প্ৰথমখন খেলত জয়লাভ কৰিছে। প্ৰথমবাৰৰ বাবে অলিম্পিকত অংশগ্ৰহণ

কৰা লক্ষ সেনে গুৱাটেমালাৰ কেবিন কৰ্দনক ২১-৮, ২২-১০ত পৰাস্ত কৰে। সেনে পৰৱৰ্তী খেলখন সোমবাৰে জুলিয়ান কেৰাগীৰ বিৰুদ্ধে খেলিব। আনহাতে পুৰুষৰ ডাবলছত ছিৰাগ চেট্টি আৰু সাত্বিক সাইৰাজ ৰণকীৰেড্ডীৰ যুটীটোৱে ফ্ৰান্সৰ লুকাচ কোৰ্বী আৰু ৰোনান লাবৰক পৰাস্ত কৰে। ইপিনে, মহিলাৰ ডাবলছত ভাৰতৰ টানিছা ক্ৰাষ্টো আৰু অশ্বিনী পোনাপ্পাৰ যুটীটো বিশ্বৰ অষ্টম বাছনিৰ যুটী কোৰিয়া গণৰাজ্যৰ কিম ছ' ইয়ং আৰু কং হি য়ঙৰ হাতত পৰাস্ত হয়।

০০০০০

পেৰিছ অলিম্পিকত আজি ভাৰতীয় শ্যুটাৰ মানু আজি শ্বেট' শ্যুটিং কেন্দ্ৰত হ'বলগীয়া মহিলাৰ ১০মিটাৰ এয়াৰ ৰাইফলচৰ ফাইনেলত অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে তিনি বজাত আৰম্ভ হ'ব। পুৰুষ আৰু মহিলা উভয় শাখাৰ ১০মিটাৰ এয়াৰ ৰাইফলচত ৰমিতা জিন্দাল, এলাভেনিল ভালাৰিৱান, সনদীপ সিং আৰু অৰ্জুন বাবুতায়েও প্ৰতিযোগীতাত অৱতীৰ্ণ হ'ব। ভাৰতীয় খেলুৱৈসকলে আজি আৰ্চাৰী, টেবুল টেনিচ আৰু বেডমিন্টন প্ৰতিযোগীতাতো অংশ ল'ব। মহিলাৰ দলীয় আৰ্চাৰীৰ কোৱাৰ্টাৰ ফাইনেলত দীপিকা কুমাৰী, অংকিতা ভকত আৰু ভজন কৌৰে চেমি ফাইনেলত প্ৰৱেশৰ জৰিয়তে পদক তালিকাত স্থান দখলৰ চেষ্টা চলাব। মহিলাৰ একক বেডমিন্টনত পিভি সিন্ধুৱে প্ৰথমখন খেলত আজি পাকিস্তানৰ ফাতিমাথ আব্দুল ৰজ্জকৰ মুখামুখি হ'ব। পুৰুষৰ একক শাখাত এইচ এছ প্ৰণয়ে জাৰ্মানীৰ ফেবিয়ান ৰোথৰ বিৰুদ্ধে খেলিব। পুৰুষৰ একক শাখাৰ টেনিছৰ প্ৰথম ৰাউণ্ডত ভাৰতৰ ১নম্বৰ স্থানৰ খেলুৱৈ চুমিত নাগালে ফ্ৰান্সৰ কৰেন্টিন নউটেটৰ বিৰুদ্ধে খেলিব। পুৰুষৰ ডাবলছত ৰোহন বোপান্না আৰু শ্ৰীৰাম বালাজীৰ ভাৰতীয় যুটীটোৱে ফান্সৰ গায়েল মনফিলছ আৰু এডৱাৰ্ড ৰজাৰ ভেছলনৰ বিৰুদ্ধে প্ৰথম ৰাউণ্ডত অৱতীৰ্ণ হ'ব। দুয়োখন খেল বিয়লি চাৰে তিনি বজাৰ পৰা আৰম্ভ হ'ব। পেৰিছ অলিম্পিকত ভাৰতৰ কনিষ্ঠতম খেলুৱৈ ধিনিধি ডেচিংঘুৱে আজি মহিলাৰ ২০০ মিটাৰ ফ্ৰীষ্টাইল সাঁতুৰত অৱতীৰ্ণ হ'ব। পুৰুষৰ ১০০মিটাৰ ব্ৰেভষ্টক সাঁতুৰত শ্ৰীহৰি অৱতীৰ্ণ হ'ব। মহিলাৰ ৫০কেজি শাখাৰ বক্সিঙত দুবাৰৰ বিশ্ব চেম্পিয়ন নিখাত জাৰীণে আজি খেল আৰম্ভ কৰিব। বিয়লি ৩বাজি ৫০ মিনিটত খেলুৱৈগৰাকীয়ে জাৰ্মানীৰ মেক্সী কেৰিণা ক্লুৰেটজাৰৰ বিৰুদ্ধে প্ৰতিযোগীতাত অৱতীৰ্ণ হ'ব। মহিলাৰ একক শাখাৰ টেবুল টেনিছত শ্ৰীজা আকুলাই চুইডেনৰ খ্ৰীষ্টীনা কালবাৰ্গ আৰু মনিকা বট্ৰাই ব্ৰিটেইনৰ আন্না হাৰছীৰ বিৰুদ্ধে খেলিব। পুৰুষৰ একক শাখাত ভাৰতৰ তাৰকা খেলুৱৈ শৰথ কমলে Sloveniaৰ ডেনি কজুল আৰু হৰমীত দেছাই ফ্ৰান্সৰ সমপৰ্যায়ৰ খেলুৱৈ ফেলিক্স লেব্ৰাণৰ বিৰুদ্ধে খেলিব।

০০০০০

পেৰিছ অলিম্পিকৰ প্ৰথম দিনটোত ভাৰতীয় খেলুৱৈসকলে কৃতিত্ব লাভ কৰিবলৈ সক্ষম হৈছে। মহিলাৰ ১০ মিটাৰ এয়াৰ ৰাইফলচত মানু ভাকেৰে অৰ্হতাত ৩য় স্থান দখল কৰি ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিছে। ভাৰতৰ পুৰুষ হকী দলটোৱেও যোৱা নিশা ইভছ-ডু-মেনোয়াৰ ষ্টেডিয়ামত অনুষ্ঠিত উদ্বোধনী পুল-বি মেচত নিউজিলেণ্ডৰ বিৰুদ্ধে ৩-২ গ'লত জয়লাভ কৰি অভিযান আৰম্ভ কৰে। খেলখনত

এক মিনিট সময় বাকী থকা অৱস্থাত অধিনায়ক হৰমনপ্ৰীত সিঙৰ পেনাল্টি ষ্ট্ৰ'কে নিউজিলেণ্ডক পৰাস্ত কৰাত সহায় কৰে। পুৰুষৰ একক শাখাৰ টেবুল টেনিছৰ প্ৰাৰম্ভিক ৰাউণ্ডত ভাৰতৰ হৰমীত দেশাইয়ে কালি জৰ্ডানৰ জাইদ আবো য়ামানক ৪-০ত পৰাস্ত কৰে। মহিলাৰ ৫৪ কিলোগ্ৰাম বক্সিংত ভাৰতৰ প্ৰীতি পাৱাৰে ভিয়েটনামৰ ভো থি কিম আনৰ বিৰুদ্ধে ৫-০ ত জয়লাভ কৰি ১৬ ৰাউণ্ডত প্ৰৱেশ কৰে।

০০০০০

**সমাপ্ত**